Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

RAJIV BHAWAN

INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005

## প্ৰেছ বিজ্ঞপ্তি

## মোডী চৰকাৰৰ অপৰিকল্পিত বিমুদ্ৰাকৰণৰ দ্বি-বৰ্ষপূৰ্তি উপলক্ষে ৰিজাৰ্ভ বেংকৰ সন্মূখত কংগ্ৰেছৰ প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী

**গুৱাহাটী, ৮ নৱেম্বৰ, ২০১৮** : কেৱল চমক সৃষ্টিৰ বাবেই পৰিকল্পনা বিহীনভাৱে মোডী চৰকাৰে দেশবাসীৰ ওপৰত জাপি দিয়া আৰু দেশৰ অৰ্থনীতি ভাঙি চুৰমাৰ কৰা বিধ্বংসী বিমুদ্ৰাকৰণৰ দ্বি-বৰ্ষপূৰ্তি উপলক্ষে আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গুৱাহাটীস্থ কাৰ্যালয়ৰ সন্মুখত এক প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী পালন কৰে। বিমুদ্ৰাকৰণ এক পৰিকল্পিত লুণ্ঠন, সাধাৰণ লোকক মাধমাৰ দিলে বিমুদ্ৰাকৰণে, চকিদাৰ হ'লগৈ ভাগিদাৰ আদি শ্লʼগাণেৰে কংগ্ৰেছ কৰ্মীসকলে এক প্ৰতিবাদী কাৰ্যসূচী পালন কৰে । প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ নেতৃত্বত ৰূপায়ন কৰা এই প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচীত কংগ্ৰেছ বিধায়িনী দলৰ নেতা দেৱব্ৰত শইকীয়া, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ, সাংসদ গৌৰৱ গগৈ, বিৰোধী দলৰ উপ-দলপতি ৰকিবুল হুছেইন, ৱাজেদ আলি চৌধুৰী, বিধায়ক, প্ৰাক্তন সাংসদ বলীন কুলি, দ্বিজেন শৰ্মা, সাধাৰণ সম্পাদক শৈলেন বৰা, ডা: দুলৰ্ভ চমুৱা, অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, কিশোৰ ভট্টাচাৰ্যকে ধৰি কেবাগৰাকী জ্যেষ্ঠ নেতাৰ উপৰি সহস্ৰাধিক কংগ্ৰেছ নেতা-কৰ্মী আৰু বিজেপিৰ জনবিৰোধী নীতিক লৈ অতিষ্ঠ হৈ পৰা বহু সংখ্যক সাধাৰণ লোকে অংশ গ্ৰহণ কৰে। এই গণতান্ত্ৰিক আন্দোলনক সোনোৱাল চৰকাৰৰ আৰক্ষী বাহিনীয়ে বলপূৰ্বকভাৱে বাধা প্ৰদান কৰে আৰু পৰৱৰ্তী সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, উপ-দলপতি ৰকিবুল হুছেইনকে প্ৰমূখ্যে শ শ কংগ্ৰেছ নেতাকৰ্মীক আটক কৰি দীঘলীপুখুৰী পাৰৰ লক্ষীধৰ বৰা ক্ষেত্ৰত দীৰ্ঘ সময় বন্দী কৰি থয়।

(ঋতুপৰ্ণ কোঁৱৰ)
মুখপাত্ৰ
অসম প্ৰদেশ কংগ্ৰেছ কমিটী